**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-12-2024 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

ৰাজ্য চৰকাৰে ব্ৰহ্মপুত্ৰৰ জলপথেৰে ৰাজ্যৰ সাতটা ধৰ্মীয় স্থানক সংযোগ কৰাৰ পৰিকল্পনা কৰিছে। ৰাজ্য চৰকাৰ বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ অনুমোদনৰ পাছত এই কাম আৰম্ভ কৰাৰ বাবে সাজু হৈছে। এই প্ৰকল্পৰ বাবদ ৬৪৫ কোটি ৫৬ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। এই প্ৰকল্পৰ অধীনত গুৱাহাটীৰ কামাখ্যা মন্দিৰ, উমানন্দ মন্দিৰ, চক্ৰেশ্বৰ মন্দিৰ, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত মন্দিৰ, দৌল গোবিন্দ মন্দিৰ, কাজিৰঙাৰ পাণ্ডুনাথ মন্দিৰ আৰু মাজুলীৰ আউনীআটী সত্ৰক ব্ৰহ্মপুত্ৰ জলপথেৰে সংযোগ কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰখনক অধিক উজ্জীৱিত কৰি তুলিবলৈ বিচৰা হৈছে বুলি মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০

তিনিচুকীয়া জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ ৮৩ হাজাৰ ৯৫২ জন হিতাধিকাৰীৰ মাজত আজি নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। এই উপলক্ষে মাকুম বিধানসভা সমষ্টিৰ বাবে তিনিচুকীয়া নগৰৰ বৰগুৰি আই টি আই খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত হিতাধিকাৰীসকলক এই ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। অনুষ্ঠানত অসম চৰকাৰৰ গৃহ নিৰ্মাণ নিগমৰ অধ্যক্ষ পুলক গোহাঁই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে এই ৰেচন কাৰ্ড প্ৰদানৰ জৰিয়তে সমষ্টিটোত নতুনকৈ ৮ হাজাৰ ৩১টা পৰিয়ালৰ ১৩ হাজাৰ ৭৪৮ জন হিতাধিকাৰী উপকৃত হ'ব। আনহাতে ডুমডুমা বিধানসভা সমষ্টিৰ ৰূপাই চাইদিঙৰ সৌৰভ কলা কেন্দ্ৰত আয়োজিত ৰেচন কাৰ্ড বিতৰণৰ আন এটা অনুষ্ঠানত মুখ্য অতিথি হিচাপে শ্ৰম আৰু চাহ শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰিব। সমষ্টিটোৰ নতুন হিতাধিকাৰী পৰিয়ালৰ সংখ্যা হৈছে ৫ হাজাৰ ৬৬০ আৰু জনসংখ্যা হৈছে ১৪ হাজাৰ ৮৮৩।

০০০০০০

বিজেপিৰ সাংসদ দিলীপ শইকীয়াই টোল কৰ হ্ৰাস কৰিবলৈ আৰু দুখন টোল গে'টৰ মাজত অতি কমেও ১০০ কিলোমিটাৰ ব্যৱধান ৰাখিবলৈ দাবী জনাইছে। দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ শইকীয়াই শুকুৰবাৰে লোকসভাত কয়, যে দেশৰ ৰাষ্ট্ৰীয় ঘাইপথত বৰ্তমান ৯৮৩ খন টোলগেট আছে। এই টোলগেটসমূহত বাহন চালকসকলে বুজন পৰিমাণৰ শুল্ক আদায় দিবলগীয়া হয় আৰু ইয়াৰ ফলত জনসাধাৰণৰ ওপৰত আৰ্থিক বোজা পৰে। কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি দুখন টোলগেটৰ মাজত কমেও ৬০ কিলোমিটাৰ দূৰত্ব থাকিব লাগে যদিও গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথত মাত্ৰ ৫০ কিলোমিটাৰৰ মাজত ২ খন টোলগেট আছে। কেন্দ্ৰীয় চৰকাৰে

দেশৰ নাগৰিকৰ ওপৰত টোল মাচুলৰ হেচা হ্ৰাস কৰিব লাগে আৰু দুখন টোলগেটৰ মাজৰ দূৰত্ব কমেও ১০০ কিলোমিটাৰ কৰিবলৈ শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি সাংসদগৰাকীয়ে দাবী জনায়।

oooooo

অসম ত্ৰিপুৰা সীমান্তৰ চুড়াইবাৰী গে'টত আজি এখন ট্ৰাকৰ খুন্দাত উজ্বল বৰা নামৰ এজন আৰক্ষী জোৱান নিহত হয়। গাড়ীচালকজনে পহৰা চকীত আৰক্ষীৰ সংকেত নামানি কৰ্তব্যৰত আৰক্ষী জোৱান উজ্বল বৰাই খুন্দিয়াই থৈ যায়। আৰক্ষী জোৱানজনৰ  ঘটনাস্থলিত থিতাতে নিহত। নিহত আৰক্ষী জোৱানজন যোৰহাট জিলাৰ বাসিন্দা বুলি জানিব পৰা গৈছে।

oooooo

তিনিচুকীয়াত অলপতে সংঘটিত হোৱা এটা ধৰ্ষণৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত দুজন অভিযুক্তক তিনিচুকীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আটক কৰা অভিযুক্ত দুজনৰ নাম হৈছে। বাপী ক'ৰ আৰু জিণ্টু দাস। তিনিচুকীয়া সদৰ পকচ' আইনৰ অধীনত দুয়োজনকে গ্ৰেপ্তাৰ কৰিছে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-৭৮১০০৩ লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

oooooo

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে  ব্ৰিছবেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি দ্বিতীয় দিনা এটাও উইকেট নেহেৰুৱাকৈ কালি সংগ্ৰহ কৰা ২৮ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৩টা উইকেটৰ বিনিময়ত ১০৪ ৰান সংগ্ৰহ কৰি খেলি আছিল। বৰষুণৰ বাবে কালি ১৩ অভাৰ আৰু ২ টা বল খেলা অৱস্থাতে প্ৰথম দিনৰ খেল স্থগিত ৰাখিবলগীয়া হৈছিল।

ভাৰতে কালি টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। এইখন খেলৰ বাবে ৰবীচন্দ্ৰন অশ্বীন আৰু হৰ্ষিত ৰানাৰ ঠাইত ৰবীন্দ্ৰ জাদেজা আৰু আকাশ দ্বীপক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে।

oooooo

**সমাপ্ত**